# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 22-08-2025 **Time :** 0900 Hrs.

## Assamese Morning Bulletin
## Headlines

১। প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰীৰ অসম ভ্ৰমণ সম্পৰ্কে ৰাজ্যিক মন্ত্ৰীসভাৰ পৰ্যালোচনা।

২। বিশ্বনাথ জিলাৰ ৪৩৩ টা পৰিয়াললৈ উচ্ছেদৰ জাননী। কাইলৈ জুৰিয়াৰ জেঙনি আৰু বলিকটীয়াত উচ্ছেদ অভিযান।

৩। উৰিয়ামঘাটৰ উচ্ছেদিত ১২ হাজাৰ বিঘা ভূমিত গছপুলি ৰোপণৰ সিদ্ধান্ত।

৪। কেন্দ্ৰীয় চৰকাৰে ব্ৰহ্মপুত্ৰত চীনৰ নদীবান্ধ বিষয়টো নিৰীক্ষণ কৰি আছে বুলি সংসদত বৈদেশিক পৰিক্ৰমা ৰাজ্য মন্ত্ৰী কীৰ্তিবৰ্ধন সিঙৰ প্ৰকাশ।

*আৰু*

৫। ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত কাইলৈ ডায়মণ্ড হাৰ্বাৰ ফুটবল ক্লাব আৰু নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাবৰ মুখামুখি।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহৰ সমাগত অসম ভ্ৰমণ সাফল্যমণ্ডিত কৰাৰ বাবে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি গুৱাহাটী কইনাধৰাৰ ৰাজ্যিক অতিথিশালাত এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। বৈঠকত প্ৰধানমন্ত্ৰী মোদীয়ে নুমলীগড়ত উদ্বোধন কৰিবলগীয়া আঠ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে দেশৰ প্ৰথমটো জৈৱ শোধনাগাৰ, মঙলদৈৰ পৰা আধাৰশিলা স্থাপন কৰিবলগীয়া গুৱাহাটীৰ ৰিং ৰোড প্ৰকল্প, দৰং চিকিৎসা মহাবিদ্যালয় আৰু নাৰেংগী-কুৰুৱা দলঙৰ লগতে প্ৰধানমন্ত্ৰীৰ উপস্থিতিত আয়োজন কৰা ড০ ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উদযাপনৰ উদ্বোধন সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে বিস্তৃতভাৱে আলোচনা কৰে। ড০ শৰ্মাই অমিত শ্বাহৰ অসম ভ্ৰমণ সন্দৰ্ভতো প্ৰস্তুতিৰ পৰ্যালোচনা কৰে। উল্লেখযোগ্য যে কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে অহা ২৯ আগষ্টত গুৱাহাটীত নৱ-নিৰ্মিত ৰাজভৱন মুকলি কৰিব। তেওঁ সেই দিনাই পঞ্চায়ত সন্মিলনত অংশ লোৱাৰ উপৰি প্ৰয়াত মুখ্যমন্ত্ৰী গোলাপ বৰবৰাৰ জন্ম শতবাৰ্ষিকী অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰী শৰ্মাই এই অনুষ্ঠানসমূহ সফল কৰি তোলাৰ বাবে সকলো ধৰণৰ ব্যৱস্থা ল'বলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে। এই বৈঠকতে ৰাজ্যজুৰি আৰম্ভ হ'বলগীয়া সেৱা সপ্তাহ কাৰ্যসূচী ৰূপায়ণ সন্দৰ্ভতো আলোচনা কৰা হয়।

০০০০০০০০

বিশ্বনাথ জিলা প্ৰশাসনে নিজ বাঘমাৰীৰ নামাপাৰা, প'লকটা আদি অঞ্চলৰ ৪৩৩ টা পৰিয়াললৈ উচ্ছেদৰ জাননী জাৰি কৰিছে। প্ৰশাসনে কালি বাঘমাৰী মণ্ডলৰ জৰিয়তে পৰিয়ালকেইটালৈ জাননী প্ৰেৰণ কৰি ১৫ দিনৰ ভিতৰত চৰকাৰী ভূমি ত্যাগ কৰিবলৈ নিৰ্দেশ দিছে। ১৫ দিনৰ ভিতৰত অবৈধভাৱে দখল কৰা ভূমি নেৰিলে জিলা প্ৰশাসনে সেই স্থানত উচ্ছেদ চলাব। এই পৰিয়ালকেইটাই চৰণীয়া পথাৰৰ ২৬৫ বিঘা ভূমি অবৈধভাৱে দখল কৰি আছে।

ইপিনে, নগাঁও জিলা প্ৰশাসন কাইলৈৰ পৰা জুৰিয়াৰ জেঙনি আৰু বলিকটীয়াত উচ্ছেদ চলাবলৈ সাজু হৈছে। ধিং ৰাজহ চক্ৰ বিষয়াই যোৱা ৫ আৰু ৮ জুলাইত দখলকৃত ভূমি খালী কৰিবলৈ অঞ্চল দুটাৰ জনসাধাৰণলৈ জাননী প্ৰেৰণ কৰিছিল।

০০০০০০০০

উৰিয়ামঘাটৰ উচ্ছেদিত ১২ হাজাৰ বিঘা ভূমিত গছপুলি ৰোপণ কৰাৰ বাবে ৰাজ্য চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি সংবাদমেল যোগে এই কথা প্ৰকাশ কৰে। মন্ত্ৰীসভাই উৰিয়ামঘাটৰ শেহতীয়া উচ্ছেদ অভিযানৰ সময়ত বন বিভাগ আৰু গোলাঘাট জিলা প্ৰশাসনৰ ভূমিকাৰ শলাগ লয়। মন্ত্ৰীসভাই লগতে এই উচ্ছেদ অভিযানত নাগালেণ্ড চৰকাৰৰ সমৰ্থনৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰে।

*(বাইট)*

ৰাজ্যৰ ১৮ বছৰ উৰ্ধৰ লোকসকলক আধাৰকাৰ্ড প্ৰদান সন্দৰ্ভতো ৰাজ্যিক মন্ত্ৰীসভাই গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে। এই অনুসৰি ১৮ বছৰ উৰ্ধৰ লোকসকলক অক্টোবৰৰ পৰা নতুনকৈ আধাৰকাৰ্ড প্ৰদান কৰা নহ'ব। মুখ্যমন্ত্ৰী শৰ্মাই কয়, যে অনুসূচিত জাতি-জনজাতি আৰু চাহ জনগোষ্ঠীৰ লোকসকলক এই ক্ষেত্ৰত এবছৰৰ বাবে শিথিলতা প্ৰদান কৰা হ'ব। তেওঁ আধাৰকাৰ্ড নথকা লোকসকলক ছেপ্তেম্বৰৰ ভিতৰত আবেদন কৰিবলৈ সংবাদমেলত আহ্বান জনায়। অত্যন্ত জৰুৰী হ'লে সাধাৰণ লোকে জিলা আয়ুক্তৰ অনুমতি সাপেক্ষেহে আধাৰকাৰ্ডৰ বাবে আবেদন কৰিব পাৰিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে ৰাজ্যত বাংলাদেশী অনুপ্ৰৱেশকাৰীৰ প্ৰৱেশ ৰোধ কৰাৰ লক্ষ্যৰে এই পদক্ষেপ লোৱা হৈছে। কোনো অনুপ্ৰৱেশকাৰীয়ে অসমত আধাৰকাৰ্ডৰ সুবিধা লৈ ভাৰতীয় নাগৰিক হ'ব নোৱাৰে তাৰ বাবে অসম মন্ত্ৰীসভাই এই সিদ্ধান্ত গ্ৰহণ কৰিছে।

মন্ত্ৰীসভাৰ বৈঠকত ৰাজ্যৰ প্ৰায় ৩ লাখ ১৫ হাজাৰ হিতাধিকাৰীক প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ বাসগৃহ প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। ভৰিষ্যতৰ ১০টা গুৰুত্বপূৰ্ণ খণ্ডত শিক্ষাৰ্থীসকলৰ দক্ষতা বিকাশৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে টাটা নেলকো আৰু সমগ্ৰ শিক্ষা অভিযানৰ সৈতে বুজাবুজিৰ চুক্তিত অনুমোদন জনাইছে। দীঘলীপুখুৰী-নুনমাটি উৰণ সেতুৰ নাম মহাৰাজা **পৃথু উৰণ সেতু** হিচাপে নামকৰণ কৰা হ'ব বুলি বৈঠকত সিদ্ধান্ত গ্ৰহণ কৰা হয়।

ইপিনে, সংকটৰ সময়ত ভূ-ৰাজনৈতিক পৰিস্থিতিয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে চিকেন নেক অৰ্থাৎ উত্তৰ-পূবক দেশৰ মূল ভূ-খণ্ডৰ সৈতে সংযোগ কৰা উত্তৰ বংগৰ ঠেক অংশৰ আশে-পাশে থকা লোকসকলৰ ভাৰধাৰা সলনি কৰাৰ বাবে বাংলাদেশৰ পৰা ষড়যন্ত্ৰ চলি আছে। অনাগত ২০ বছৰ অসমৰ বাবে জটিল সময় বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

oooooooo

সমাগত বিটিচি পৰিষদীয় নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ তৎপৰতা বৃদ্ধি পাইছে। ইউনাইটেড পিপ'লছ্ পাৰ্টি লিবাৰেচন চমুকৈ ইউ পি পি এলে পৰিষদীয় নিৰ্বাচনৰ বাবে প্ৰথমখন প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিছে। দলটোৰ সভাপতি তথা ৰাজ্যসভাৰ সাংসদ ৰণগৌড়া নাৰ্জাৰীয়ে পৰিষদৰ মুঠ ৪০ টা সমষ্টিৰ ভিতৰত ১৮ টা সমষ্টিৰ বাবে প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰে। চিৰাং জিলাৰ তিনিটা সমষ্টিৰ প্ৰাৰ্থীৰ নাম প্ৰকাশ কৰা হৈছে।

পৰিষদীয় নিৰ্বাচনৰ বাবে বিজেপিকে ধৰি বি পি এফ দলৰ নিৰ্বাচনী প্ৰচাৰ অব্যাহত আছে। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই নিৰ্বাচনৰ পূৰ্বে বড়োলেণ্ডৰ কেইবাটাও স্থানত ৰাজহুৱা সভা সম্বোধন কৰাৰ লগতে বিজেপিৰ কেইবাজনো মন্ত্ৰী-বিধায়কে নিৰ্বাচনী প্ৰচাৰ অব্যাহত ৰাখিছে। ইপিনে, নিৰ্বাচনৰ বাবে বি পি এফ দলেও তৎপৰতাৰে নিৰ্বাচনী প্ৰচাৰ চলাইছে। বি পি এফ দলে পৰিষদীয় নিৰ্বাচনৰ বাবে কিছু দিন পূৰ্বে দলৰ ২২ গৰাকী প্ৰাৰ্থীৰ নাম প্ৰথমখন তালিকাত প্ৰকাশ কৰিছিল। বি পি এফ প্ৰধান হাগ্ৰামা মহিলাৰীয়ে বড়োলেণ্ডৰ বহুকেইটা স্থানত নিৰ্বাচনী প্ৰচাৰ চলাই ভোটদাতাক আকৃষ্ট কৰাৰ চেষ্টা কৰিছে। পৰিষদীয় নিৰ্বাচনৰ প্ৰচাৰ সন্দৰ্ভত এয়া আমাৰ চিৰাং জিলাৰ সংবাদদাতা কুঞ্জমোহন ৰায় –

ভইচকাষ্ট

oooooooo

কেন্দ্ৰীয় চৰকাৰে ব্ৰহ্মপুত্ৰত চীনৰ বৃহৎ নদীবান্ধ সম্পৰ্কীয় বিষয়টো নিৰীক্ষণ কৰি আছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰ আৰু চীনৰ বিদেশ মন্ত্ৰী ৱাং য়িৰ মাজত হোৱা শেহতীয়া বৈঠকতো বিষয়টো উত্থাপন কৰা হৈছিল। বৈদেশিক পৰিক্ৰমা ৰাজ্য মন্ত্ৰী কীৰ্তি বৰ্ধন সিঙে কালি সংসদত এই কথা প্ৰকাশ কৰে। চীনে তিববতৰ চাংপো নদীৰ নামনিভাগত বৃহৎ নদীবান্ধ নিৰ্মাণ কৰা বুলি ওলোৱা বাতৰি সন্দৰ্ভত ৰাজ্যসভাত সোধা এটা প্ৰশ্নৰ লিখিত উত্তৰত মন্ত্ৰীগৰাকীয়ে কয়, যে চীনৰ বৃহৎ নদীবান্ধ প্ৰকল্পৰ বিষয়টো ১৯৮৬ চনতে প্ৰথমবাৰৰ বাবে ৰাজহুৱা হৈছিল আৰু তেতিয়াৰে পৰা কেন্দ্ৰীয় চৰকাৰে ইয়াৰ সৈতে জড়িত সকলো দিশ নিৰীক্ষণ কৰি আহিছে। ইয়াৰ ভিতৰত বেইজিঙৰ প্ৰস্তাৱিত জলবিদ্যুৎ প্ৰকল্প আৰু ভাৰতৰ স্বাৰ্থ সুৰক্ষাৰ দিশটোও আছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয়, যে চীনক সকলো বিষয় সময়ে সময়ে অৱগত কৰি অহা হৈছে। চাংপো-ব্ৰহ্মপুত্ৰ সম্পৰ্কীয় শেহতীয়া তথ্যৰ ভাগ-বাটোৱাৰাৰ বাবে ২০০২ চনত এখন চুক্তি স্বাক্ষৰিত কৰা হৈছিল আৰু সেই চুক্তি ২০০৮, ২০১৩ আৰু ২০১৮ চনত নৱীকৰণ কৰা হৈছিল বুলি মন্ত্ৰী বৰ্ধনে উল্লেখ কৰে। চীনে অৱশ্যে ২০১৭ চনত এই তথ্য প্ৰদান কৰা নাছিল বুলি তেওঁ জানিবলৈ দিয়ে।

০০০০০০০০

বিধানমণ্ডল, কাৰ্য্যপালিকা আৰু ন্যায়পালিকাৰ পাছতেই গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰূপে সংবাদ মাধ্যমে স্থান লাভ কৰি আহিছে। পৰিৱৰ্তিত সময়ত এই চতুৰ্থ স্তম্ভৰ লগতে পঞ্চম স্তম্ভৰো প্ৰয়োজন আহি পৰিছে নেকি ? বা সংবাদ মাধ্যমে সৰ্বসাধাৰণ জনতাৰ আস্থা অটুট ৰাখিব পাৰিছেনে ?

এনেবোৰ প্ৰশ্নৰ উত্তৰ বিচাৰি কাইলৈ নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাতত লগ পাব একালত সক্ৰিয় সাংবাদিকতাত জড়িত কেইগৰাকীমান বিশিষ্ট সাংবাদিকক।

এই অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০০০

ৰাজ্য চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়ালকল্যাণ বিভাগৰ উদ্যোগত অহা ১৭ ছেপ্তেম্বৰৰ পৰা ৰাজ্যজুৰি সেৱা সপ্তাহ আৰম্ভ হ'ব। সেৱা সপ্তাহৰ সৈতে সংগতি ৰাখি ১৮ ছেপ্তেম্বৰত সমষ্টি ভিত্তিক স্বাস্থ্য শিবিৰ অনুষ্ঠিত হ'ব। ২০ ছেপ্তেম্বৰত ৰাজ্যৰ বিভিন্ন প্ৰান্তত ৭৫ টা ৰক্তদান শিবিৰৰ আয়োজন কৰা হ'ব আৰু ২২ ছেপ্তেম্বৰত যক্ষ্মা ৰোগীসকলৰ বাবে নিক্ষয় মিত্ৰ কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। স্বাস্থ্য মন্ত্ৰী অশোক সিংহালে কালি বশিষ্ঠত অনুষ্ঠিত এখন বৈঠকত ১৮ ছেপ্তেম্বৰত ৰাজ্যজুৰি হ'বলগীয়া স্বাস্থ্য শিবিৰৰ প্ৰস্তুতিৰ বুজ লয়। বৈঠকত মন্ত্ৰীগৰাকীয়ে স্বাস্থ্য বিভাগৰ বিষয়া-কৰ্মচাৰীসকলক সংবেদশীল হ'বলৈ আহ্বান জনায়। তেওঁ কয়, যে স্বাস্থ্য বিভাগে প্ৰতিটো খোজতে মানুহৰ জীৱনৰ কথা, সামাজিক প্ৰত্যাহ্বান আৰু সামাজিক ব্যৱস্থাৰ প্ৰতি লক্ষ্য ৰাখি আগবাঢ়ি যাব লাগিব। স্বাস্থ্য শিবিৰত জনসাধাৰণে স্বাস্থ্য সেৱা প্ৰদানকাৰীৰ পৰা সামাগ্ৰিক স্বাস্থ্য পৰামৰ্শ আৰু ৫০ বিধতকৈও অধিক ৰোগৰ পৰীক্ষাৰ সুবিধা লাভ কৰিব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয়, যে শিবিৰসমূহত জনসাধাৰণে প্ৰয়োজন অনুসৰি বিশেষজ্ঞ চিকিৎসকৰ পৰামৰ্শ আৰু বিনামূলীয়া ঔষধো লাভ কৰিব।

০০০০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, এফ এম বেণ্ডৰ ১০১ দশমিক ৬ মেগাহাৰ্টজত শুনিছে। নামনি অসমৰ শ্ৰোতাসকলে আমাৰ এই বাতৰি এফ এম বেণ্ডৰ ১০২ মেগা হাৰ্টজত আকাশবাণী কোকৰাঝাৰ কেন্দ্ৰৰ পৰা, ১০৩ দশমিক ৩ মেগা হাৰ্টজত আকাশবাণী ধুবুৰী কেন্দ্ৰৰ পৰা, ১০২ দশমিক ৬ মেগা হাৰ্টজত গোৱালপাৰা ৰিলে কেন্দ্ৰৰ পৰা শুনিবলৈ পাইছে।

এই বাতৰি আমাৰ **ফে'চবুক পেজ-এ আই আৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙৰ** লগতে নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

oooooooo

News Paper REV./RNU (22-08-2025) Morn. 90

জি এছ টিৰ সংস্কাৰত মন্ত্ৰী গোটৰ অনুমোদন, সংসদৰ বৰ্ষাকালীন অধিৱেশন অনিৰ্দিষ্ট কাললৈ স্থগিত, ধেমাজি হত্যা কাণ্ডৰ দোষীক মৃত্যুদণ্ডৰ ৰায় আদি ভিন ভিন বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰিকাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

মন্ত্ৰীগোটৰ বৈঠকত কালি চাৰি স্তৰীয় জি এছ টি দুটা স্তৰত সীমিত ৰখাত কেন্দ্ৰৰ প্ৰস্তাৱত অনুমোদন জনোৱা হৈছে। এই অনুসৰি ১২ আৰু ২৮ শতাংশৰ জি এছ টিৰ বিলুপ্তি ঘটোৱা হ'ব আৰু কেৱল ৫ আৰু ১৮ শতাংশ জি এছ টিহে বাহাল থাকিব। এই বাতৰিটোক আজি অসমীয়া প্ৰতিদিন কাকতে **৯০ শতাংশ সামগ্ৰীৰ কমিব দাম** শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে। একেটা বাতৰিকে দৈনিক অসম কাকতে জি এছ টি **গাঁথনি দুটা কৰাৰ পৰামৰ্শ গৃহীত কৰিলে সংশ্লিষ্ট মন্ত্ৰীগোটে** শিৰোনামেৰে গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

অচলাৱস্থাৰে সংসদৰ বৰ্ষাকালীন অধিৱেশনৰ কালি সামৰণি পৰে। এই অধিৱেশনত লোকসভাত ১২ আৰু ৰাজ্যসভাত ১৫ খন বিধেয়ক গৃহীত হয়। বাতৰিটো দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

ধেমাজিৰ মৰিঢল মহাবিদ্যালয়ৰ ছাত্ৰী নন্দিতা শইকীয়া হত্যাকাণ্ডত দোষী সাব্যস্ত হোৱা ৰিণ্টু শৰ্মাক মৃত্যু দণ্ডৰে দণ্ডিত কৰাৰ বাতৰিটো আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। ৰাজ্যত ১৮ বছৰ ঊৰ্ধৰ লোকক আধাৰকাৰ্ড প্ৰদান কৰা নহ'ব বুলি ৰাজ্যিক মন্ত্ৰীসভাই গ্ৰহণ কৰা সিদ্ধান্তৰ বাতৰিটো নিয়মীয়া বাৰ্তা, অসমীয়া খবৰ আৰু দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। বাতৰিটো আজি প্ৰকাশিত প্ৰায়কেইখন কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে চীনৰ বিদেশ মন্ত্ৰী ৱাং য়িৰ সৈতে হোৱা আলোচনাত তিববতৰ য়াৰ লুং চাংপো নদীৰ নামনি অংশত বৃহৎ নদীবান্ধ নিৰ্মাণক লৈ উদ্বেগ প্ৰকাশ কৰাৰ এটা বাতৰি দি আছাম ট্ৰিবিউন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

অসমত বনাঞ্চল আৰু অন্যান্য চৰকাৰী ভূমিত বাস কৰা লোকসকলক উচ্ছেদ কৰা হৈছে যদিও দেশৰ ভিতৰতে অসমত দ্বিতীয় সৰ্বাধিক বনাঞ্চল আছে বুলি কেন্দ্ৰীয় মন্ত্ৰী কীৰ্তিবৰ্ধন সিঙে ৰাজ্যসভাত প্ৰকাশ কৰাৰ এটা বাতৰি দ্যা ছেণ্টিনেল কাকতে গুৰুত্বসহকাৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

এতিয়া আহক পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাও।

oooooooo

কলকাতাৰ ছল্ট লেক যুৱ ভাৰতী ক্ৰীড়াংগনত কাইলৈ ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত ডায়মণ্ড হাৰ্বাৰ ফুটবল ক্লাব যোৱাবাৰৰ চেম্পিয়ন নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাবৰ মুখামুখি হ'ব।

ডায়মণ্ড হাৰ্বাৰ ফুটবল ক্লাবে বুধবাৰে কলকাতাৰ বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াংগনত অনুষ্ঠিত প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত ১৬ বাৰৰ চেম্পিয়ন ইষ্ট বেংগল ফুটবল ক্লাবক ২-১ গলত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছে। খেলখনৰ দ্বিতীয়াৰ্ধত ডায়মণ্ড হাৰ্বাৰ ফুটবল ক্লাবৰ হৈ মাইকেল কৰ্টাজাৰে প্ৰথমটো গল দিয়ে যদিও তাৰ কিছু সময়ৰ পাছতে ইষ্ট বেংগলৰ আনোৱাৰ আলীয়ে সমতা স্থাপন কৰে। পাছত ডায়মণ্ড হাৰ্বাৰৰ জবিয়ে দলৰ হৈ বিজয়সূচক গ'লটো দিয়ে।

নৰ্থ-ইষ্ট ইউনাইটেড ফুটবল ক্লাবে মঙলবাৰে শ্বিলঙত অনুষ্ঠিত প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেলত শ্বিলং লাজং এফ চিক ১-০ গ'লত পৰাভূত কৰি ফাইনেলত স্থান নিশ্চিত কৰে।

oooooooo

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৪ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল প্ৰদেশ, ত্ৰিপুৰা আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে। নাগালেণ্ড, মণিপুৰ আৰু মিজোৰামত প্ৰবল বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই প্ৰকাশ কৰিছে।

oooooooo

**সমাপ্ত**